# অসমত চাহখেতিৰ আৰম্ভণি

"অসমত চাহ খেতিৰ আৰম্ভণি আৰু ব্ৰুছ ভাতৃদ্বয়" শীৰ্ষক লেখাটোৰ (১৬-৩১ মে', ২০২১) আঁত ধৰি চাহ শিল্পৰ ক্ষেত্ৰত আৰু কিছু কথা আগবঢ়ালোঁ।

অসমত চাহশিল্পই যেতিয়া প্ৰসাৰ লাভ কৰিছিল আৰু সফলতা কঢ়িয়াই আনিছিল তেতিয়া ব্ৰিটিছসকল এই শিল্পৰ প্ৰতি আৰু বেছি আকৰ্ষিত হ'বলৈ ধৰে, তেওঁলোকে এই শিল্পক বিশ্বৰ আগত দাঙি ধৰিবলৈ বিশেষভাৱে চেষ্টা কৰিছিল। সেই উদ্দেশ্য আগত ৰাখি তেওঁলোকে চাহশিল্পৰ অধিক গৱেষণাৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰিছিল। ১৮৮৬ চনত জে বাকিংহাম নামৰ এজন ব্ৰিটিছ চাহাবে চাহগছৰ উপকাৰিতা সম্পৰ্কে এখন পুথি প্ৰকাশ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। এ এফ ডাউলিং নামৰ এজন লোকেও চাহশিল্পৰ উন্নতিৰ কাৰণে ৰাসায়নবিদৰ প্ৰয়োজনীয়তাৰ কথা প্ৰকাশ কৰিছিল।

১৮৯১ চনত সেই উদ্দেশ্য আগত ৰাখি ভাৰতীয় চাহ উদ্যোগ আৰু কৃষি উদ্যোগ সংস্থাই চাহ শিল্পৰ গৱেষণাৰ কাৰণে কেলৱে বেম্বাৰ নামৰ এজন ৰাসায়নবিদক নিযুক্তি দিয়ে। চাহ গৱেষণাৰ বাবে বেম্বাৰে বহুখিনি কাম হাতত লয়। তেওঁ 'The Chemistry and Agriculture of Tea' নামৰ এখন গৱেষণা পত্ৰও প্ৰকাশ কৰে, ১৮৯৯ চনত ভাৰতীয় চাহ সংস্থাই চাহ গৱেষণাৰ বাবে এটা গৱেষণাগাৰ স্থাপন কৰিবলৈ আঁচনি হাতত লয়, সেই আঁচনি অনুসৰি ভাৰতীয় চাহ সংস্থাই হেৰল্ডমান নামৰ এজন বিজ্ঞানীক বিষয়া হিচাপে নিযুক্তি দিয়ে, হেৰল্ডমান নামৰ মানুহজনে আৰম্ভণিৰ পৰা চাহ শিল্পৰ উন্নতিৰ বাবে অশেষ কষ্ট কৰিছিল, তেখেতৰ মুখ্য কাৰ্যালয় আছিল কলকাতাত। হেৰল্ডমানে চাহ গৱেষণাৰ প্ৰসাৰণৰ বাবে কিছুমান প্ৰস্তাৱ আগবঢ়াইছিল। তেওঁৰ প্ৰস্তাৱসমূহৰ ভিতৰত চাহ বাগান থকা অঞ্চলৰ ওচৰতে চাহ গৱেষণাগাৰ স্থাপনৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল। সেই অনুসৰি গৱেষণাগাৰৰ বাবে উজনি অসমৰ যোৰহাট অঞ্চলটোৰেই অতি উপযুক্ত বুলি বিবেচনা কৰা হৈছিল।

এইদৰেই হেৰল্ডমানৰ দিনতে চাহ গৱেষণা আৰু গৱেষণাগাৰ স্থাপনৰ কাম আগবাঢ়িছিল। প্ৰকৃততে তেওঁৰ দিনতে চাহ শিল্পৰ অধ্যয়ন, চাহ গৱেষণা আৰু চাহ গৱেষণাগাৰৰ ভেটি স্থাপন হয় বুলি ক'ব পাৰি। ১৯০৬ চনত হেৰল্ডমানে কামৰ পৰা অব্যাহতি লয়। তেওঁৰ ঠাইত ড° জি জি হ'প নামৰ এজন বিজ্ঞানী আহি কামত যোগদান কৰে। ড° হ'পৰ দিনতে ভাৰতীয় চাহ সংস্থাই যোৰহাটৰ টোকোলাইত চাহ গৱেষণাগাৰ স্থাপনৰ বাবে যোৰহাট টি কোম্পানিৰ লগত আলোচনাত মিলিত হয়। ড° হ'পৰ দিনতে এই আলোচনা মৰ্মে ১৯১১ চনত যোৰহাটৰ টোকোলাইত গৱেষণাগাৰ স্থাপনৰ কাম আগবাঢ়িছিল। সেই সময়তে এ ছি টানষ্টল নামৰ এজন উদ্ভিদৰোগ বিশেষজ্ঞই কামত যোগ দিয়ে। ১৯১৪ চনত দ্বিতীয়জন বিজ্ঞানী কুপাৰক নিযুক্তি দিয়ে। এইসকল বিজ্ঞানীৰ নেতৃত্বত টোকোলাই চাহ গৱেষণাগাৰে নতুন ৰূপ লয় আৰু চাহ শিল্পৰ বিষয়ে নতুন নতুন তথ্য উদ্ভাৱন হয়। ক'বলৈ গ'লে এই গৱেষণাগাৰেই চাহ বিজ্ঞানৰ জন্ম দিয়ে। আজিও টোকোলাই চাহ গৱেষণাগাৰ পৃথিৱীৰ ভিতৰতে সবাতোকৈ পুৰণি আৰু বৃহত্তম চাহ গৱেষণাগাৰ হিচাপে জিলিকি আছে।

**গৌতম কুমাৰ দত্ত,**
গোলাঘাট অভিযান্ত্ৰিক মহাবিদ্যালয়, বগৰিজেং,
গোলাঘাট-১, ফোন ঃ ৯৮৫৪১২৩০০১

# ৰহণৰ ৰহদৈ

১৬-৩১ জুলাই, ২০২১ সংখ্যা প্ৰান্তিকৰ পত্ৰালাপ শিতানত জানকী বৰগোহাঞিৰ 'ৰহণৰ ৰহদৈ' পত্ৰখনি পঢ়ি মোৰো কিছু কথা লিখিবলৈ মন গ'ল। কাৰণ ৰহণৰ সৈতে মোৰ আবেগিক সম্বন্ধ আছে।

জানকী বৰগোহাঞিৰ লগত সহমত প্ৰকাশ কৰি কেইখনমান বুৰঞ্জী পুথিৰ পাত লুটিয়াই ক'ব খোজোঁ যে ৰহদৈ ৰমণী ৰহণৰে জীয়াৰী।

কিন্তু কেইগৰাকীমান বুৰঞ্জীবিদ তথা লেখকে ৰহদৈৰ বিষয়ে ভিন্ন মত প্ৰকাশ কৰিছে। কবি, সাহিত্যিক, বুৰঞ্জীবিদ হেম বুঢ়াগোহাঞিদেৱে তেখেতৰ বুৰঞ্জীৰ 'বিনিদ্ৰ পৰশ' নামৰ গ্ৰন্থত ৰহদৈ চৰাইদেউৰ (বৰ্তমান সোণাৰী অঞ্চল) বুলিহে উল্লেখ কৰিছে। স্বৰ্গদেউ গদাধৰ সিংহই তেওঁৰ পলাতক অৱস্থাত ৰহদৈয়ে অন্য দুগৰাকী ৰমণীৰ (ভাদৈ, আঘোণী বাই) সহায়ত বিপদৰ সময়ত সহায় আগবঢ়াই তেওঁৰ জীৱন ৰক্ষা কৰা বাবে ধোদৰ আলিৰ পৰা নামচাই নৈৰ কাষেদি ৰহদৈ আলি আৰু ইয়াৰ ওপৰত দুখন শিলৰ সাঁকো নিৰ্মাণ কৰে। লগতে ইটাৰে দৌল বন্ধায়।

গদাপাণি কোঁৱৰ ৰজা হোৱাৰ পাছত তেওঁক বিপদ কালত সহায়ৰ বাবে টিংখাঙত ৰহদৈৰ নামেৰে ৰহদৈ আলি বন্ধায় আৰু পুখুৰী খন্দাই পাৰত দৌল নিৰ্মাণ কৰে। *(উৎস ঃ বুৰঞ্জীবিদ অখিল পানীফুকন। বুৰঞ্জীবিদ হেম বুঢ়াগোহাঞি সম্পাদিত 'জয়মতী কুঁৱৰী' গ্ৰন্থৰ বুৰঞ্জীৰ পটভূমিত জয়মতী কুঁৱৰী প্ৰবন্ধ।)*

গদাপাণি কোঁৱৰে ল'ৰাৰজাৰ চাওদাঙে অংগ ক্ষত কৰাৰ ভয়ত পলাই ফুৰোঁতে ৰহাৰ (বৰ্তমান ধোপাবৰ অঞ্চল) ৰহদৈ নামেৰে এজনী পোহাৰীৰ ঘৰত কেইদিনমান আছিল। তাৰ পাছত তিপামলৈ গুচি যায়। *(উৎস ঃ নীল বৰগোহাঞিৰ 'আঘোণী বাই' স্মৃতিগ্ৰন্থৰ 'আঘোণী বাইৰ ইতিবৃত্ত' প্ৰবন্ধ)।*

অৱশ্যে বুৰঞ্জীবিদ, পণ্ডিত সাহিত্যিক ড° লীলা গগৈদেৱে তেখেতৰ 'বুৰঞ্জীয়ে পৰশা নগৰ' গ্ৰন্থত ৰহদৈ ৰহণৰ বুলিয়ে উল্লেখ কৰিছে।

বুৰঞ্জীবিদ নৰেন্দ্ৰ নাথ চেতিয়াদেৱেও 'ইতিহাসে পৰশা তিপাম' গ্ৰন্থৰ 'অতন বুঢ়াগোহাঞিৰ সৈতে তিপাম ৰজাৰ বিৰোধ' প্ৰবন্ধত ৰহদৈ ৰহণৰ পথাৰৰ বুলি বিশদ বিৱৰণ আগবঢ়াইছে।

তিপামৰ পৰা নাতিদূৰত অৱস্থিত জয়পুৰৰ দিহিং নৈৰ পাৰত নামচাং পাহাৰৰ পথত ৰহদৈয়ে ৰহণ পথাৰৰ পৰা মাছ বেচিবলৈ আহিছিল। তাতে তিপামৰ পৰা অহা ভাদৈ আৰু শলগুৰিৰ পৰা অহা আঘোণী বাইক লগ পালে। তাতে দুখৰ-সুখৰ কথা পাতি তিনিওজনীয়ে জিৰণি লৈছিল। ঠিক এনে সময়তে পাহাৰৰ পৰা নামি আহোঁতে দূৰতে চাওদাংবিলাকে চিনি পাই গদাপাণি কোঁৱৰৰ পিছে পিছে খেদি অহাত তেওঁ দৌৰি আহি শ্ৰান্ত-ক্লান্ত হৈ নিজৰ পৰিচয় দি বিপদৰ কথা জনাই গছৰ তলতে পোহাৰীহঁতৰ কাষতে শুই পৰিল আৰু তিনিওজনী পোহাৰীক নিজৰ গাৰ চাদৰেৰে তেওঁক ঢাকি লৈ ইনাই-বিনাই কান্দিবলৈ পৰামৰ্শ দিলে। এইদৰে সিহঁতে কান্দি থাকোঁতে গদাপাণিক বিচাৰি আহি চাওদাংবিলাকে কান্দি থকা পোহাৰী তিনিজনীক কিয় কান্দি আছে বুলি সুধিলে, তেতিয়া সিহঁতে ক'লে—"আমাৰ তিনিজনী সতিনীৰ এই একেটা মাত্ৰ গিৰিহঁত, সিও আজি বৰ বেমাৰত মৰিল। আমাৰনো কি গতি হ'ব ঐ" বুলি হুৰাওৰাওৰে কান্দিবলৈ ধৰিলে। তেতিয়া চাওদাংবিলাক তাত বৈ নাথাকি নামচাং পাহাৰৰ ফালে গুচি গ'ল।

চাওদাংবিলাক গুচি যোৱাৰ পাছত গদাপাণি কোঁৱৰ দিহিং নৈ পাৰ হৈ কেইদিনমান তিপাম সত্ৰত আছিল। তাৰ পাছত ভটিয়াই গৈ কলিয়াবৰত ভিনিহিয়েক বন্দৰ বৰফুকনৰ আশ্ৰয়ত কিছুদিন আছিল। সেই সময়তে ল'ৰাৰজাৰ অত্যাচাৰ দিনকদিনে বেছি হৈ অহাত আৰু ৰাজকোঁৱৰসকলৰ অংগক্ষত কৰা, জয়মতী কুঁৱৰীক অমানুষিক অত্যাচাৰ কৰি মৃত্যু ঘটোৱা আদি কাৰ্যত ৰাজ